No. of Printed Pages—10

127N/130N (AS/TBB)

[20-HKPGDEN-M4S(N)21J]

MA 4th Semester (New) Exam., 2020

ASSAMESE

[PGAS–S4–04 (Lit) (PART—I)]

(অনুবাদ সাহিত্য আৰু বিশেষ সাহিত্যিক)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

[PART—I সকলোৰে বাবে বাধ্যতামূলক। PART—II-ৰ, PART—IIA অথবা PART—IIB-ৰ উত্তৰ কৰিব]

PART—I

১। তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : ১×২=২

(ক) শংকৰোত্তৰ যুগৰ অনুবাদ সাহিত্যত মূলতঃ কি ৰসে প্ৰাধান্য লাভ কৰা দেখা গৈছিল?

(খ) অনুবাদৰ ক্ষেত্ৰত 'ৰূপান্তৰণ' বুলিলে কি বুজে?

২। খালী ঠাই পূৰণ কৰক : ১×২=২

(ক) অনুবাদকৰ আধাৰত অনুবাদক মানৱকৃত অনুবাদ আৰু _____ অনুবাদ হিচাপে ভাগ কৰা হয়।

(খ) অসমীয়া ভাষালৈ প্ৰথমে _____ য়ে আইন-বিষয়ক গ্ৰন্থ অনুবাদ কৰিছিল।

৩। শুদ্ধ উত্তৰটো বাছি উলিয়াওক : ১×২=২

(ক) তলত উল্লেখ কৰা কোনখন অনুবাদমূলক গ্ৰন্থ নহয়?

(i) অমৰ লীলা

(ii) মোৰ সত্য অন্বেষণৰ কাহিনী

(iii) ভূত

(iv) প্ৰতিপদ

(খ) ফেটফোর্ডে অনুবাদক কেইটা আধাৰত বিভাজন কৰিছে?

(i) দুটা

(ii) তিনিটা

(iii) চাৰিটা

(iv) ওপৰৰ এটাও নহয়

৪। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো ৫০ শব্দৰ ভিতৰত) : ২×৩=৬

(ক) অনুবাদক কিয় এক ধৰণ সাংস্কৃতিক বিনিময় বুলি ধাৰণা কৰা হয়?

(খ) অন্তর্ভাষিক অনুবাদ বুলিলে কি বুজে?

(গ) লক্ষ্য ভাষা মানে কি?

(ঘ) অনুবাদৰ সৌন্দর্য ৰক্ষাৰ বাবে অনুবাদকে কি কৰা উচিত?

৫। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৩×২=৬

(ক) স্বৰাজোত্তৰ কালৰ অনূদিত অসমীয়া কবিতা সম্পর্কে চমুকৈ আলোকপাত কৰক।

(খ) যন্ত্ৰ অনুবাদ সম্পর্কে এটি টোকা লিখক।

(গ) ৰোমাণ্টিক যুগৰ অসমীয়া অনুবাদ সাহিত্যসমূহৰ মাজত দেখাপোৱা বিশেষ বৈশিষ্ট্যকেইটা উল্লেখ কৰক।

৬। তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬

(ক) ভাষিক মাধ্যম অনুসাৰি অনুবাদৰ প্ৰকাৰভেদ সম্পর্কে এটি আলোচনা প্ৰস্তুত কৰক।

(খ) অসমীয়া অনুবাদ সাহিত্যৰ বিকাশত সংবাদপত্ৰ আৰু আলোচনীৰ ভূমিকা সম্পর্কে এটি আলচ যুগুত কৰক।

৭। তলৰ যি কোনো **দুটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : ৮×২=১৬

(ক) আধুনিক আৰু ৰোমাণ্টিক যুগৰ অসমীয়া কবিতাৰ অনুবাদকসকলে বিভিন্ন ভাষাৰ পৰা অসমীয়া ভাষালৈ কবিতা অনুবাদ কৰোঁতে সম্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে উদাহৰণসহ আলোচনা কৰক।

(খ) অনুবাদৰ ভাষাগত সমস্যাসমূহৰ বিষয়ে আলোচনা কৰি সিৰোৰৰ সম্ভাব্য সমাধান সূত্ৰ নির্ণয় কৰিবলৈ যত্ন কৰক।

(গ) শংকৰোত্তৰ যুগৰ অনূদিত শাক্ত আৰু শৈৱ সাহিত্য সম্পর্কে উদাহৰণসহ এটি প্ৰবন্ধ যুগুত কৰক।

(Continued)

PART—IIA

(লক্ষ্মীনাথ বেজবৰুৱা)

১। তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : ১×৪=৪

(ক) মৰণোত্তৰভাৱে সংকলিত হোৱা বেজবৰুৱাৰ কবিতা পুথিখনৰ নাম কি?

(খ) বেজবৰুৱাক স্কুলত অংক শিকোৱা শিক্ষকজনৰ নাম কি আছিল?

(গ) ভবেন বৰুৱাই বেজবৰুৱাৰ গল্পসমূহক কেইটা ভাগত বিভাজন কৰি আলোচনা কৰিব পাৰি বুলি মত পোষণ কৰিছে?

(ঘ) কৃপাবন্ত গদ্য বুলিলে কি বুজে?

২। খালী ঠাই পূৰণ কৰক : ১×৩=৩

(ক) বেজবৰুৱাৰ ব্যঙ্গসাহিত্য ৰচনাৰ মুখ্য উদ্দেশ্য আছিল _____ _____।

(খ) 'লাওখোলা' গল্পটিত _____ সমাজব্যৱস্থাৰ প্ৰতিফলন ঘটিছে।

(গ) 'হ্-য-ব-ৰ-ল' এখন _____ নাম।

৩। শুদ্ধ উত্তৰটো বাছি উলিয়াওক : ১×৩=৩

(ক) তলত উল্লেখ কৰা কোনটো চনত বেজবৰুৱাৰ আত্মজীৱনী 'মোৰ জীৱন সোঁৱৰণ' গ্ৰন্থাকাৰে প্ৰকাশ পায়?

(i) ১৯৪৪

(ii) ১৯৪৩

(iii) ১৯৪৫

(iv) ১৯৪২

(খ) 'সুৰভি' গল্প পুথিখনত কেইটা গল্প সংকলিত হৈছে?

(i) ১০টা

(ii) ১১টা

(iii) ১২টা

(iv) ১৪টা

(গ) তলত উল্লেখ কৰা কোনটো বৈশিষ্ট্য বিমল হাস্যৰস সৃষ্টিৰ উপকৰণ নহয়?

(i) সূক্ষ্মতা

(ii) সুৰুচি

(iii) নিৰপেক্ষতা

(iv) পর্যবেক্ষণ শক্তিৰ অভাৱ

৪। তলৰ যি কোনো **দুটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো ৫০ শব্দৰ ভিতৰত) : ২×২=৪

(ক) 'কঁকালৰ বিষ ভাল কৰিবৰ উপায়' পাঠটিৰ মূল বক্তব্যখিনি নিজৰ ভাষাত লিখক।

(খ) 'অসমীয়া জাতি ডাঙৰ জাতি' বুলিকৈ বেজবৰুৱাই কি বুজাব বিছাৰিছে?

(গ) 'মোৰ জীৱন সোঁৱৰণ'ত বেজবৰুৱাই তদানীন্তন কালৰ শিক্ষাব্যৱস্থাৰ কেনে চিত্র অংকন কৰিছে?

৫। তলৰ যি কোনো **দুটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : ৩×২=৬

(ক) 'মোৰ জীৱন সোঁৱৰণ' গ্রন্থখনিৰ অসমীয়া আত্মজীৱনী সাহিত্যত স্থান কেনে সেই বিষয়ে আলোচনা কৰক।

(খ) বেজবৰুৱাৰ লিখনিসমূহৰ মাজত কেনেদৰে জাতীয়তাবোধ প্রকাশ পাইছে, আলোচনা কৰক।

(গ) বেজবৰুৱাই ৰচনা কৰা তত্ত্বমূলক গ্রন্থসমূহৰ চমু পৰিচিতি দাঙি ধৰক।

৬। তলৰ যি কোনো **দুটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ২৫০ শব্দৰ ভিতৰত) : ৬×২=১২

(ক) অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলৰ কেইবাগৰাকীয়েও জোনাকী যুগটোক 'বেজবৰুৱাৰ যুগ' বুলিও অভিহিত কৰিছে। ইয়াৰ কাৰণ কি? বহলাই আলোচনা কৰক।

(খ) 'লাওখোলা' গল্পটোত কেনেদৰে নাৰী জীৱনৰ কাৰুণ্য আৰু পুৰুষতান্ত্রিক সমাজব্যৱস্থাৰ স্বার্থপৰতা ফুটি উঠিছে সেই বিষয়ে বহলাই আলোচনা কৰক।

(গ) 'মলক গুইন গুইন' গল্পটোৰ মাজত তদানীন্তন সমাজখনে কেনেদৰে ভূমুকি মাৰিছে, বহলাই লিখক।

৭। তলৰ যি কোনো **এটা** প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ৩০০ শব্দৰ ভিতৰত) : ৮

(ক) 'কঁকালৰ বিষ ভাল কৰিবৰ উপায়' আৰু 'অসমীয়া জাতি ডাঙৰ জাতি' পাঠ দুটিৰ আধাৰত সমাজসংস্কাৰক আৰু ব্যঙ্গসাহিত্যিক বেজবৰুৱাজন কেনেদৰে উদ্ভাসিত হৈছে, সেই বিষয়ে এটি আলচ যুগুত কৰক।

(খ) আপোনাৰ পাঠ্য বিষয়ৰ অন্তর্গত 'মোৰ জীৱন সোঁৱৰণ'ৰ পাঠ্যাংশৰ আধাৰত বেজবৰুৱাৰ গদ্যশৈলী সম্পর্কে আলোচনা কৰক।

(Continued)

PART—IIB

(নৱকান্ত বৰুৱা)

১। তলৰ প্ৰশ্নসমূহৰ অতি চমু উত্তৰ লিখক : ১×৪=৪

(ক) কোনখন উপন্যাসৰ বাবে নৱকান্ত বৰুৱাই সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(খ) 'সম্ৰাট' কবিতাটোৰ মূল বক্তব্য কি?

(গ) সাহিত্যত অলংকাৰৰ প্ৰয়োজনীয়তা কি?

(ঘ) 'ওমলা ঘৰৰ পুথি'খনত সৰ্বমুঠ কিমানটা কবিতা সন্নিৱিষ্ট হৈছে?

২। খালী ঠাঁই পূৰণ কৰক : ১×৩=৩

(ক) 'ওমলা ঘৰৰ পুথি'খনৰ শেষৰটো কবিতাৰ শিৰোনাম _____ _____।

(খ) আচার্য দণ্ডীয়ে 'হেতু' আৰু _____ক বৰ মূল্যৱান অলংকাৰ বুলি গণ্য কৰিছিল।

(গ) 'ৰাৱণ' কবিতাটোৰ মতে ৰাৱণে নিজকে জীৱনসত্তা আৰু সীতাক দ্ৰষ্টাৰূপী জীৱনসত্তাৰ _____ বুলি ভাবে।

৩। শুদ্ধ উত্তৰটো বাছি উলিয়াওক : ১×৩=৩

(ক) তলৰ গ্ৰন্থ-আলোচনী নৱকান্ত বৰুৱাই সম্পাদনা কৰা নাছিল

(i) আধুনিক অসমীয়া অভিধান

(ii) নতুন সীৰলু

(iii) পোহৰ

(iv) সাতসৰী

(খ) কোনে 'কাব্যং গ্ৰাহ্যং অলংকাৰাৎ' বুলি মত পোষণ কৰিছিল?

(i) বামনে

(ii) দণ্ডীয়ে

(iii) ভামহে

(iv) ভৰতে

(Turn Over)

(গ) 'কেৱেলুৱাৰ ৰেল' এখন শিশু উপযোগী

(i) গল্পপুথি

(ii) নাটক

(iii) সাধু কথাৰ পুথি

(iv) ওপৰৰ এটাও নহয়

৪। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো *৫০* শব্দৰ ভিতৰত) : ২×২=৪

(ক) 'ওমলা ঘৰৰ পুথি'খনৰ শব্দ-চয়ন সম্পৰ্কে এটি টোকা লিখক।

(খ) অসমীয়া শিশুসাহিত্যত নৱকান্ত বৰুৱাৰ স্থান নিৰূপণ কৰক।

(গ) 'ক্ৰমশঃ' কবিতাটোত বিদেশী কবিৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখক।

৫। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *১৫০* শব্দৰ ভিতৰত) : ৩×২=৬

(ক) 'সম্ৰাট' কবিতাটোত কেনেদৰে আধুনিকতাবাদী ধাৰণা ফুটি উঠিছে, বুজাই লিখক।

(খ) কবি নৱকান্ত বৰুৱাৰ পৰিচয় দাঙি ধৰক।

(গ) নৱকান্ত বৰুৱাৰ সাহিত্যকৰ্মৰ বিশিষ্টতা সম্পৰ্কে বহলাই আলোচনা কৰক।

৬। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় *২৫০* শব্দৰ ভিতৰত) : ৬×২=১২

(ক) ''নৱকান্ত বৰুৱা আছিল একাধাৰে ঔপন্যাসিক, শিশুসাহিত্যিক, অনুবাদক আৰু গীতিকাৰ।'' কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

(খ) মানুহৰ দৈনন্দিন ভাষা প্ৰয়োগত অলংকাৰে কেনেদৰে সহায় কৰে, সেই বিষয়ে নৱকান্ত বৰুৱাৰ 'অলংকাৰ চিন্তা' পাঠটিৰ আধাৰত বহলাই লিখক।

(গ) প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত অলংকাৰ সম্পৰ্কে থকা মিল-অমিলসমূহৰ বিষয়ে নৱকান্ত বৰুৱাই কি মত পোষণ কৰিছে, আলোচনা কৰক।

৭। তলৰ যি কোনো এটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : ৮

(ক) 'ওমলা ঘৰৰ পুথি' আৰু 'কেৱেলুৱাৰ ৱেল'ৰ আধাৰত নৱকান্ত বৰুৱাৰ শিশু মনস্তত্ত্বৰ জ্ঞান কেনেধৰণৰ আছিল সেই বিষয়ে উদাহৰণসহ আলোচনা কৰক।

(খ) 'ৰাৱণ' কবিতাটোত কবিয়ে কেনেদৰে ৰাৱণ চৰিত্ৰটো অংকন কৰিছে সেই বিষয়ে মূল্যায়ন আগবঢ়াওক।